# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 20-02-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***
***:::::::::::::::::::::::::::::::***

০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি তৃতীয় দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই আলোচনাত অংশগ্ৰহণ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে কোকৰাঝাৰত অনুষ্ঠিত অধিৱেশনে অখণ্ডিত অসমৰ বাৰ্তা দিছে। লগতে তেওঁ কয়, যে কোকৰাঝাৰত অনুষ্ঠিত বাজেট অধিৱেশনে সমাগত ৫০ বছৰলৈ অসমত বিভাজনৰ আন্দোলন নহয় বুলি প্ৰমাণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰা চৰাইদেউ মৈদামৰ প্ৰসংগও উল্লেখ কৰে। মুখ্যমন্ত্ৰী হিচাপে তেওঁৰ কাৰ্যকালত চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাটো অন্যতম সফলতা বুলি তেওঁ মন্তব্য কৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ জৰিয়তে অসমীয়া ভাষাক লৈ চলা দীৰ্ঘদিনীয়া যুঁজৰ অৱসান ঘটিল বুলিও তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বৰাক উপত্যকাৰ সৈতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানসিক দূৰত্ব ক্ৰমাৎ হ্ৰাস পাইছে। কাছাৰৰ জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি স্থাপনে বৰাক উপত্যকাৰ সৈতে থকা দূৰত্ব হ্ৰাস কৰিছে বুলি তেওঁ মন্তব্য কৰে। এডভাণ্টেজ আছামৰ জৰিয়তে অৰ্থনৈতিকভাৱে অসম উপকৃত হোৱা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বাৰাউনীৰ পৰা নুমলিগড় শোধনাগাৰলৈ ৯ মিলিয়ন খাৰুৱা তেল অহাটো এডভাণ্টেজ আছামৰ ফচল। অসমত প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস আৰু বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপে ইতিবাচক প্ৰভাৱ পেলাব বুলি তেওঁ মন্তব্য কৰে। বাল্য বিবাহ প্ৰতিৰোধৰ সুফল পৰৱৰ্তী ১০ বছৰত অসমে লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাষণত তেওঁ লগতে কয়, যে ১০ মাৰ্চত দাখিল হ'বলগীয়া বাজেটত আত্মবিশ্বাসৰ প্ৰতিফলন ঘটিব।

০০০০

ৰাজ্যৰ স্বাস্থ্য  বিভাগে শীঘ্ৰে চিকিৎসালয়সমূহত স্থায়ী চিকিৎসক নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিব। স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে  আজি অসম বিধানসভাৰ শূন্যকালত এটা প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেঁও কয়, যে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহকে ধৰি চিকিৎসালয়সমূহত প্ৰায় এহেজাৰ ছশ চিকিৎসকৰ পদ খালী হ'ব। এই পদসমূহ পূৰণ কৰিলে জনসাধাৰণে চিকিৎসালয়সমূহত পৰ্যাপ্ত চিকিৎসক লাভ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। কংগ্ৰেছৰ বিধায়ক ডাঃ আছিফ নাজাৰৰ নগাওঁৰ চিকিৎসালয়সমূহত পৰ্যাপ্ত ঔষধ আৰু সা-সুবিধা মজুত আছেনে নাই বুলি উত্থাপন কৰা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীসিংহালে কয়, যে ৰাজ্যৰ প্ৰতিখন জিলা চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, আৰু আয়ুষ্মান আৰোগ্য মন্দিৰসমূহত পৰ্যাপ্ত পৰিমাণে

ঔষধ মজুত কৰি ৰখাটো নিশ্চিত কৰা হৈছে। প্ৰতিখন জিলা চিকিৎসালয়ত ২৭২ বিধ, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত ১২৫ বিধ আৰু আয়ুষ্মান আৰোগ্য মন্দিৰত ৩৩ বিধ ঔষধ মজুত ৰখাৰ বাবে স্বাস্থ্য বিভাগৰ নিৰ্দেশনা আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰায় প্ৰতিখন চিকিৎসালয়তে উল্লেখ কৰা পৰিমাণৰ ঔষধ মজুত ৰখাৰ চেষ্টা কৰা হৈছে। ৰাজ্য চৰকাৰে চিকিৎসালয়সমূহত জেনেৰিক ঔষধহে প্ৰদানৰ ব্যৱস্থা কৰি আহিছে  বুলি উল্লেখ কৰি চিকিৎসকসকলকো নিদান পত্ৰত জেনেৰিক ঔষধৰহে পৰামৰ্শ দিবলৈ কোৱা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

রাজ্য চৰকাৰে ২০২৫-২৬ বৰ্ষত ২৫০ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি বিধানসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে উচ্চ প্ৰাথমিক বিদ্যালয়সমূহকো এই শৈক্ষিক বৰ্ষতে উচ্চ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰাৰ পৰিকল্পনা কৰা হৈছে আৰু ইয়াৰ বাবে প্ৰায় দুহেজাৰ কোটি টকাৰ প্ৰস্তাৱ দিয়া হৈছে। ডাঃ পেগুৱে চৰ অঞ্চল হিচাপে কোনো অঞ্চল নাই বুলি উল্লেখ কৰি কয়, যে খহনীয়া নোহোৱা স্থায়ী নৈপৰীয়া অঞ্চলসমূহত বিদ্যালয়-মহাবিদ্যালয় স্থাপন কৰা হ'ব। শিক্ষামন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ বিৰোধিতা কৰি বিৰোধী পক্ষৰ সদস্যসকলে চৰ অঞ্চল নথকা সত্তেও কিয় চৰ অঞ্চল উন্নয়ন পৰিষদ গঠন কৰা হৈছিল বুলি প্ৰশ্ন উত্থাপন কৰে। শিক্ষকবিহীন বিদ্যালয় আৰু এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ সন্দৰ্ভত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে সোধা এটা প্ৰশ্নৰ উত্তৰত ডাঃ পেগুৱে কয়, যে ৰাজ্যত বৰ্তমান ৩ খন শিক্ষকবিহীন বিদ্যালয় আৰু দুহেজাৰ ২৯৫ খন এজনীয়া শিক্ষকৰ বিদ্যালয় আছে। বিধায়ক গগৈয়ে শিক্ষা ব্যৱস্থাৰ উন্নয়নত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ব্যৰ্থ হৈছে বুলি উল্লেখ কৰি ৰাজ্যখনৰ ৭ হাজাৰৰো অধিক বিদ্যালয়ত এতিয়াও স্থায়ী শিক্ষক নাই বুলিও অভিযোগ কৰে।

০০০০

গুৱাহাটীৰ সৰুসজাইত অহা ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া ঝুমইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে চৰাইদেউ জিলাৰ পৰা শিল্পীৰ দল ৰাওনা হৈছে। আজি পুৱা মৰাণ মহাবিদ্যালয় আৰু সোণাৰি ৰাজহুৱা খেলপথাৰৰ পৰা শিল্পীৰ দলটো বাছযোগে গুৱাহাটীলৈ ৰাওনা হয়। এই উপলক্ষে জিলা আয়ুক্ত ডাঃ নেহা যাদৱে অংশগ্ৰহণকাৰীসকলক উদ্দেশ্যে শুভেচ্ছামূলক বক্তব্য ৰাখে। ৰাজ্যৰ আন আন জিলাৰ লগতে যোৰহাট আৰু বিশ্বনাথৰ পৰাও ঝুমুৰ নৃত্যশিল্পীৰ দল গুৱাহাটীলৈ ৰাওনা হৈছে। যোৰহাট জিলাৰ পৰা মুঠ ৮২৫ গৰাকী নৃত্যশিল্পী ঝুমইৰ বিনন্দিনী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। চ্যুকাফা সমন্বয় ক্ষেত্ৰৰ পৰা বাছযোগে অহা যোৰহাটৰ দলটো গুৱাহাটীলৈ ৰাওনা উপস্থিত হৈছে। আজি পুৱা যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে ফ্লেগ অফ কৰি নৃত্যশিল্পীসকলক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০

বিজেপি নেত্ৰী ৰেখা গুপ্তাই আজি দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। দিল্লী বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত শালিমাৰবাগ সমষ্টিৰ পৰা জয়লাভ কৰা নেত্ৰীগৰাকীয়ে নতুন দিল্লীৰ ঐতিহাসিক ৰামলীলা ময়দানত আয়োজিত এটা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত লয়। উপ-ৰাজ্যপাল বিনয়

কুমাৰ ছাক্সেনাই শ্ৰীমতী গুপ্তাক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। ইয়াৰ পূৰ্বে কালি বিয়লি দিল্লী বিজেপিৰ বিধায়িনী দলৰ নেত্ৰী হিচাপে বাছনি লাভ কৰাৰ পাছত তেওঁ উপ-ৰাজ্যপালগৰাকীক সাক্ষাৎ কৰি চৰকাৰ গঠনৰ বাবে দাবী জনায়। সুষমা স্বৰাজ, শীলা দীক্ষিত আৰু আতিশীৰ পাছতে ৰেখা গুপ্তা হৈছে দিল্লীৰ চতুৰ্থগৰাকী মহিলা মুখ্যমন্ত্ৰী। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে আজি ৬ গৰাকী কেবিনেট মন্ত্ৰী পাৰভেজ চাহিব সিং, আশীষ সুদ, মনজিন্দৰ সিং চিৰছা, ৰবিন্দৰ ইন্দ্ৰজ সিং, কপিল মিশ্ৰা আৰু পংকজ কুমাৰ সিঙেও শপত গ্ৰহণ কৰে।

আজিৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ উপৰি প্ৰায় ২০খন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসহ বিজেপিৰ বহুকেইগৰাকী জ্যেষ্ঠ নেতা উপস্থিত থাকে।

০০০০

সমাপ্ত